যি নাৰীয়ে অলীৰ অনুমতি নোহোৱাকৈ বিবাহ পাশত আৱদ্ধ হয়, তাইৰ নিকাহ বাতিল। -এই কথা তেখেতে তিনিবাৰ কৈছে- যদি এই অৱস্থাত পুৰুষজনে সহবাস কৰে তেন্তে ইয়াৰ ফলত তাইক মোহৰ অৰ্পণ কৰিব লাগিব। কিন্তু যদি অলীসকলৰ মাজত পৰস্পৰ বিবাদ হয় তেন্তে এই ক্ষেত্ৰত যাৰ কোনো অলী নাই, তাৰ অলী হ'ব প্ৰশাসন।

উম্মুল মু'মিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যি নাৰীয়ে অলীৰ অনুমতি নোহোৱাকৈ বিবাহ
পাশত আৱদ্ধ হয়, তাইৰ নিকাহ বাতিল। -এই কথা তেখেতে তিনিবাৰ কৈছে- যদি এই অৱস্থাত
পুৰুষজনে সহবাস কৰে তেন্তে ইয়াৰ ফলত তাইক মোহৰ অৰ্পণ কৰিব লাগিব। কিন্তু যদি
অলীসকলৰ মাজত পৰস্পৰ বিবাদ হয় তেন্তে এই ক্ষেত্ৰত যাৰ কোনো অলী নাই, তাৰ অলী হ'ব প্ৰশাসন।"
[ছহীহ] [(আবু দাঊদ, তিৰমিজী, ইবনে মাজাহ, আহমদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত কঠোৰভাৱে নিষেধ কৰিছে যে, অলীৰ অনুমতি নোহোৱাকৈ কোনো নাৰীয়েই যেন বিবাহ নকৰে। এনে কৰিলে সেই নিকাহ বাতিল বুলি গণ্য হ'ব। তেখেতে এই কথা তিনিবাৰ কৈছিল, যাতে এইটো নহয়। এতেকে অলীৰ অনুমতি নোহোৱাকৈ যাৰ সৈতে বিবাহ কৰিছে, সেই পুৰুষজনে যদি তাইৰ সৈতে সহবাস কৰে তেন্তে ইয়াৰ ফলত তাইক সম্পূৰ্ণ মোহৰ আদায় দিব লাগিব। যদি নিকাহৰ ক্ষেত্ৰত অভিভাৱকৰ মাজত অলী সম্পৰ্কীয় বিষয়ত বিবাদ হয় আৰু তেওঁলোকৰ পৰ্যায় যদি একেই হয়, তেন্তে সেই ক্ষেত্ৰত অভিভাৱকৰ অধিকাৰ পাব সেই ব্যক্তি, যিয়ে সৰ্বপ্ৰথম এই দায়িত্ব গ্ৰহণ কৰিছিল, কিন্তু তেওঁ নাৰীৰ মংগল কামনা কৰা হ'ব লাগিব আৰু তেওঁৰ উদ্দেশ্যে ভাল হ'ব লাগিব। আনহাতে যদি অভিভাৱকে বিবাহত অমান্তি হয়, তেন্তে এই ক্ষেত্ৰত তাইৰ কোনো অলী নাই বুলি গণ্য কৰা হ'ব। তেনে ক্ষেত্ৰত প্ৰশাসন বা তেওঁৰ প্ৰতিনিধি, যেনে- কাজী আদিয়ে হ'ব তাইৰ অলী। পক্ষান্তৰে যদি অলী বা অভিভাৱক উপস্থিত থাকে, তেনে ক্ষেত্ৰত প্ৰশাসনৰ হস্তক্ষেপ কৰাৰ কোনো অধিকাৰ নাথাকে।

http://www.sunnah.global/hadeeth/as/show/58067